জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩০/২০২১

## মহানগৰীৰ অক্সিজেন উৎপাদন প্লান্ট পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

### অসমে বৰ্তমানে ৮০ মেট্ৰিকটন অক্সিজেন উৎপাদন কৰি আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা অতিৰিক্ত ১০০ মেট্ৰিকটন অক্সিজেন লাভ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ সাউকুছিত থকা প্ৰিমিয়াৰ ক্ৰায়'জেনিক লিমিটেড অক্সিজেন প্লান্ট পৰিদৰ্শন কৰি এই প্লান্টৰ অক্সিজেন উৎপাদন ক্ষমতাৰ বুজ লয়।

ইয়াৰ পিছত প্লান্ট চৌহদত উপস্থিত থকা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে বহুদিনৰ পৰা বন্ধ হৈ থকা এই প্লান্টটো পুনৰ কাৰ্যক্ষম কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰিমিয়াৰ ক্ৰায়'জেনিক লিমিটেডক জনোৱা অনুৰোধৰ প্ৰতি ইতিবাচক সহাৰি জনোৱাৰ বাবে প্লান্ট কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। পুনৰ কাৰ্যক্ষম কৰা এই প্লান্টে ১৪ মেট্ৰিকটন অক্সিজেন উৎপাদন কৰি আছে আৰু ইয়াৰ দ্বাৰা ৰাজ্যখনৰ অক্সিজেনৰ উৎপাদন ক্ষমতা বৃদ্ধি পাইছে। এই প্লান্টৰ দ্বিতীয় গোটটো কাৰ্যক্ষম হৈ উঠিলে ৰাজ্যখনৰ অক্সিজেনৰ উৎপাদন ক্ষমতা আৰু অধিক বৃদ্ধি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে ৰাজ্যৰ অক্সিজেনৰ ৭০ মেট্ৰিকটন প্ৰয়োজনীয়তাৰ বিপৰীতে বৰ্তমান ৰাজ্যখনৰ অক্সিজেন উৎপাদনৰ ক্ষমতা ৮০ মেট্ৰিকটনলৈ বৃদ্ধি হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে ১০০ মেট্ৰিকটন অক্সিজেনৰ আবণ্টন দিছে আৰু এক বিশেষ ৰে'লৰ জৰিয়তে এই অক্সিজেন ৰাজ্যখনলৈ সৰবৰাহ হ'ব। ৰাজ্যখনে নিজৰ প্ৰয়োজনীয়তাখিনি পূৰণ কৰাৰ উপৰি বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডলৈ অক্সিজেনৰ যোগন ধৰি আছে বুলিও তেওঁ কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত সাংসদ পল্লৱ লোচন দাস, প্ৰিমিয়াৰ ক্ৰায়'জেনিক লিমিটেডৰ পৰিচালন সঞ্চালক অভিজিৎ বৰুৱা উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ**
**১৭/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in